পঞ্জীভুক্ত নম্বৰ - ৭৬৮ /৯৭ Registered No.-768/97

অসম ৰাজপত্ৰ

সত্যমেব জয়তে

THE ASSAM GAZETTE

অসাধাৰণ

EXTRAORDINARY

প্ৰাপ্ত কৰ্ত্তৃত্বৰ দ্বাৰা প্ৰকাশিত

PUBLISHED BY THE AUTHORITY

নং 291 দিশপুৰ, মঙ্গলবাৰ, 30 জুন, 2026, 9 আহাৰ, 1948 (শক)

No. 291 Dispur, Tuesday, 30th June, 2026, 9th Ashadha, 1948 (S. E.)

অসম চৰকাৰ

সংসদীয় পৰিক্ৰমা বিভাগ ঃঃ দিশপুৰ ঃঃ গুৱাহাটী-৬

কার্যবাহী আদেশ

২৩ জুন, ২০২৬

বিষয়: মন্ত্রীসকলৰ ব্যক্তিগত কর্মচাৰী নিয়োগ।

নং.পি এ আৰ এল.৭৯৮৫৬৮/১.- অসমৰ ৰাজ্যপাল মহোদয়ে মন্ত্রীসকলৰ ব্যক্তিগত কর্মচাৰী নিয়োগৰ ক্ষেত্রত তলত উল্লেখিত কার্যবাহী আদেশ জাৰি কৰিছে-

১। বর্তমান বলৱৎ থকা নীতি-নিয়ম কঠোৰভাৱে অনুসৰণ কৰি নিয়মীয়া চৰকাৰী কর্মচাৰীসকলক মন্ত্রীসকলৰ ব্যক্তিগত কর্মচাৰী হিচাপে নিয়োগ কৰিব পাৰিব।

২। অনিয়মীয়া চৰকাৰী কর্মচাৰীসকলৰ মাজৰ পৰা ব্যক্তিগত কর্মচাৰী নিয়োগৰ কোনো প্রস্তাৱ থাকিলে, সংশ্লিষ্ট প্রস্তাৱ সকলো তথ্য আৰু যুক্তিসহ অসমৰ মুখ্যমন্ত্রীৰ পূর্বানুমোদনৰ বাবে দাখিল কৰিব লাগিব।

৩। সকলো মন্ত্রীৰ কার্যালয়ে নিশ্চিত কৰিব যে চৰকাৰৰ অনুমোদিত আদেশ মর্মে যথাবিধি নিয়োগ নোহোৱাকৈ কোনো ব্যক্তিক মন্ত্রীগৰাকীৰ পক্ষত কার্য সম্পাদন কৰাৰ বাবে আনুষ্ঠানিক বা অনানুষ্ঠানিকভাৱে নিয়োজিত, কর্তৃত্বপ্রাপ্ত, মনোনীত, সংযুক্ত বা অনুমতি প্রদান কৰিব নোৱাৰিব।

৪। মন্ত্রীসকলৰ সৈতে কর্তৃত্বপ্রাপ্ত ব্যক্তিগত কর্মচাৰীসকলে কেৱল সংশ্লিষ্ট মন্ত্রীয়ে বিশেষভাৱে অর্পণ কৰা চৰকাৰী বিষয়সমূহতেই নিজৰ ভূমিকা আৰু দায়িত্ব সীমাবদ্ধ ৰাখিব লাগিব। মন্ত্রীগৰাকীৰ বিশেষ নির্দেশ অবিহনে তেওঁলোকে কোনো মৌখিক বা লিখিত নির্দেশ প্রেৰণ কৰিব নোৱাৰিব।

ৰবি কোটা,
মুখ্য সচিব, অসম

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 581- 10 + 10 - 30- 06 - 2026. (visit at– dpns.assam.gov.in)